# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-DEC-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

০০০০০

১।  পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উত্তেজনা অব্যাহত। হিংসাত্মক কাৰ্যকলাপ নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ গুলীচালনাত আজি এজন লোকৰ মৃত্যু। কাৰ্বি পাহাৰত অনিৰ্দিষ্টকাললৈ মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন।

২।  মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ উদ্যমী মহিলাসকলক চেক বিতৰণ।

৩।  কাইলৈৰ পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা।

৪।  আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ পডকাষ্ট আৰম্ভ। আজি প্ৰথমটো অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অংশগ্ৰহণ। **আৰু**

৫।  ভাৰত-শ্ৰীলংকাৰ মাজৰ মহিলাৰ টি-২০ শৃংখলাৰ আজি বিশাখানপট্টনমত দ্বিতীয়খন খেল।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি আজি অধিক অৱনতি ঘটে। আৰক্ষীৰ গুলিচালনাত আজি আহত এজন লোকৰ বিয়লি চিকিৎসালয়ত মৃত্যু ঘটে। আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতাই জনোৱা মতে, খেৰণিৰ সমীপৰ থেলাংপিত আজি আন্দোলনকাৰী পক্ষৰ যথেষ্ট সংখ্যক লোক সমবেত হয় আৰু তেওঁলোকে ডংকামোকামলৈ বুলি শোভাযাত্ৰা উলিয়াই কপিলী দলঙৰ ওচৰ পায়। আৰক্ষীয়ে শোভাযাত্ৰাকাৰীসকলক খেদি পঠিয়াবলৈ চেষ্টা চলায়। আনহাতে, কপিলী দলঙৰ আনটো পাৰত আন্দোলন বিৰোধী পক্ষৰ একাংশ লোকে অৱস্থান কৰি থাকে। আৰক্ষীয়ে এই দলটোক তাৰ পৰা আতৰাই পঠিয়াই যদিও আন্দোলনকাৰী পক্ষই আৰক্ষীৰ বাধা নিষেধ নেওচি বাৰে বাৰে সমবেত হয়। প্ৰতিবাদকাৰীৰ একাংশই আৰক্ষীলৈ শিলগুটি দলিয়াই আৰু লাঠি আৰু অন্য অস্ত্ৰৰে আক্ৰমণ চলায়। এই আক্ৰমণত শীৰ্ষ আৰক্ষী বিষয়াকে ধৰি কেইবাগৰাকীও আৰক্ষীৰ লোক আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে লাঠি চালনা আৰু পাছত গুলিচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত চিংথি টিমুং নামৰ এজন লোক আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ প্ৰশাসনে পশ্চিম কাৰ্বি আংলং আৰু কাৰ্বি আংলং দুয়োখন জিলাতে মোবাইল ইণ্টাৰনেট সেৱা আজি আবেলিৰ পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিছে। চৰকাৰী সূত্ৰই দিশপুৰত প্ৰকাশ কৰা অনুসৰি এই সময়ছোৱাত অৱশ্যে ভইছ টেলিফোন সেৱা আৰু ব্ৰডবেণ্ড ইণ্টাৰনেট সেৱা অব্যাহত থাকিব।

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিং, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান অখিলেশ কুমাৰ সিং, আৰক্ষী মহা পৰিদৰ্শক শিৱ প্ৰসাদ গাঞ্জালাই ডংকামোকামত বাহৰ পাতি আছে আৰু পৰিস্থিতি সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰাইছে।

আনহাতে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও বৰ্তমান ডংকামোকামত বাহৰ পাতি আছে আৰু পৰিস্থিতি উপশমৰ বাবে বিভিন্ন পক্ষৰ সৈতে আলোচনা চলাই আছে।

**বাইট ঃ ডাঃ ৰণোজ পেগু**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত উদ্যমী মহিলাসকলক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। চাবুৱা সমষ্টিৰ দিনজয় চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত হোৱা এখন সভাত সমষ্টিটোৰ ২১ হাজাৰ ১৯৮ গৰাকী মহিলাক আঁচনিখনৰ অধীনত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক পুঁজিৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক বিনোদ হাজৰিকা আৰু পুনাকন বৰুৱাও উপস্থিত থাকে। আজিৰ অনুষ্ঠানটোৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইদৰে কয়—-

**বাইট (চি এম)**

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত কাইলৈৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। ১৪ দিনীয়াকৈ হ'বলগীয়া গ্ৰন্থমেলা সন্দৰ্ভত আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সবিশেষ তথ্য প্ৰকাশ কৰে। সচিবগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৩ বজাত হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকিব। কাইলৈ গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড০ ভূপেন হাজৰিকা দেৱলৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত হ'বলগীয়া অনুষ্ঠানটো সঞ্চালনা কৰিব বিশিষ্ট লেখক সুমন্ত চলিহাই। আলোচক হিচাপে বিশিষ্ট সংগীত শিল্পী কমল কটকী, ৰঞ্জন বেজবৰুৱা, লেখক-সমালোচক ড০ বিৰিঞ্চি কুমাৰ দাসে অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে কাইলৈ গ্ৰন্থমেলাৰ প্ৰাংগণতে বাছৰি কৰা ৮১৮গৰাকী ৪০ বছৰ অনুৰ্দ্ধ লেখক-লেখিকাক যুৱ লেখক মুখ্যমন্ত্ৰী ড০ শৰ্মাই সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০

বিকশিত ভাৰত নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান গ্ৰামীণ বা জি ৰাম জি আঁচনিখন সন্দৰ্ভত আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশ অনুযায়ী আজি নিশা ৮ বাজি ২ মিনিটত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে এটা পডকাষ্ট প্ৰচাৰ কৰিব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ সৈতে এই পডকাষ্টত অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সংবাদদাতা আমিনুল হক জোদ্দাৰ আৰু সম্পাদনা কাৰ্যবাহী পৰিস্মিতা দিহিঙীয়াই। আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখা আৰু গুৱাহাটী দূৰদৰ্শনৰ কেমেৰা বিভাগৰ সহযোগত প্ৰস্তুত কৰা এই পডকাষ্ট আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ইউটিউব চেনেলযোগে প্ৰচাৰিত হ'ব।

বৰ্তমান সময়ত অতি জনপ্ৰিয় হৈ উঠা পডকাষ্ট প্ৰচাৰণত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজিৰ এই অনুষ্ঠানৰ যোগেৰে প্ৰৱেশ কৰিলে।

০০০০০

বিকশিত ভাৰত নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান গ্ৰামীণ বা জি ৰাম জি আঁচনি কাৰ্যকৰী কৰা সন্দৰ্ভত ৰাজ্যৰ বিভিন্ন প্ৰান্তত  ভালেমান কাৰ্যসূচী অনুষ্ঠিত হৈছে। নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰত এই উপলক্ষে

আয়োজিত অনুষ্ঠানত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ বিদ্যুৎ চন্দন ডেকাই অংশগ্ৰহণ কৰে। তেওঁ কৃষকসকলক চৰকাৰী আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ আগুৱাই অহাৰ বাবে আহ্বান জনায়।

**বাইট ঃ বিদ্যুৎ চন্দন ডেকা**

উল্লেখযোগ্য যে এই অভিলাষী আঁচনিখনৰ অধীনত ১ লাখ ৫১ হাজাৰ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ লোৱা হৈছে। শ্ৰমিকসকলক পূৰ্বৰ ১০০ দিনৰ পৰিৱৰ্তে বিধিগতভাৱে বৰ্তমান ১২৫ দিনৰ নিয়োগ নিশ্চিত কৰা হৈছে।

০০০০০

দেশৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত কৃষকসকলে আগবঢ়োৱা বৰঙনিৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন কৰা হৈছে। কৃষকৰ কল্যাণ আৰু গ্ৰামীন বিষয় সন্দৰ্ভত থকা গভীৰ জ্ঞানৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিঙৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আজিৰ এই দিনটো ৰাষ্ট্ৰীয় কৃষক দিৱস হিচাপে পালন কৰা হয়। দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা কৃষকসকলৰ ত্যাগৰ স্বীকৃতি আৰু তেওঁলোকৰ সন্মানাৰ্থে প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে। কেন্দ্ৰীয় কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে জয়ন্তী উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অসমতো আজি এই দিৱস উপলক্ষে চৌধৰী চৰন সিঙক স্মৰণ কৰি কাৰ্যসূচী অনুষ্ঠিত হয়। দেশৰ পঞ্চমগৰাকী প্ৰধানমন্ত্ৰী সিঙৰ জয়ন্তী উপলক্ষে আজি হোজাই জিলাৰ লংকাত ভাৰতীয় ষ্টেট বেংকৰ উদ্যোগত অন্নদাতা উৎসৱ পালন কৰা হয়। এই অনুষ্ঠানত লামডিং সমজিলা আয়ুক্ত, এছ বি আইৰ উপ মহাপ্ৰবন্ধক সংগীতা ভাস্কৰ এমৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ অংশ হিচাপে ছহিদ বেদীত বন্তি প্ৰজলন, মাল্যাৰ্পনকে ধৰি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

বজালী জিলা সদৰ পাঠশালা ৰে'ল ষ্টেছনত ব্ৰহ্মপুত্ৰ মেইল ৰে'লগাড়ীখনৰ ষ্টপেজ দিয়াৰ বাবে আহ্বান জনাই পাঠশালা প্ৰেছ ক্লাৱে ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰীলৈ দুখন সুকীয়া স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। প্ৰেছ ক্লাবৰ প্ৰতিনিধিসকলে স্মাৰকপত্ৰখনত উল্লেখ কৰা মতে ষ্টেছনটোত দেশৰ ৰাজধানী সংযোগী ৰে'লখন ৰখোৱাটো জনসাধাৰণৰ সুবিধাৰ বাবে অত্যন্ত প্ৰয়োজনীয়। নৱগঠিত জিলাখনৰ সদৰ পাঠশালা সকলো দিশৰ পৰাই গুৰুত্বপূৰ্ণ স্থান হিচাপে পৰিগণিত হোৱাৰ পৰিপ্ৰেক্ষিতত পাঠশালা ৰে'ল ষ্টেছনৰ গুৰুত্ব বৃদ্ধি পাইছে বুলি স্মাৰকপত্ৰখনত উল্লেখ কৰা হয়। এই স্মাৰকপত্ৰত ৰে'ল ষ্টেছনটোৰ পূব প্ৰান্তত এখন ৰে'লৰে উৰণ সেতু নিৰ্মাণৰ বাবেও আহ্বান জনোৱা হয়।

০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ অধীনত ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ত নৱনিযুক্ত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক নিযুক্তি স্থান সম্পৰ্কীয় পত্ৰ প্ৰদানৰ অনুষ্ঠানটো আজি ঢকুৱাখনাৰ গণেশ গগৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সমজিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক নৱকুমাৰ দলে, ঢকুৱাখনা সমজিলা আয়ুক্ত অপূৰ্ব কুমাৰ নাথৰ লগতে সংশ্লিষ্ট বিভাগৰ কেইবাগৰাকী বিষয়াবৰ্গ উপস্থিত থাকে। অনুষ্ঠানত ঢকুৱাখনাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষক, নৱনিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে ভাগ লয়।

০০০০০

সদৌ অসম উকিল সন্থাই ৰাজ্যৰ বিভিন্ন জিলা আৰু মহকুমাৰ সদস্য উকিল সন্থাৰ দ্বাৰা জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণৰ বাবে নিজাববীয়াকৈ এখন বিশেষজ্ঞ সমিতি গঠন কৰিছে। এই বিশেষজ্ঞ সমিতিখনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰুজু হোৱা ফৌজদাৰী গোচৰৰ লগতে প্ৰৱৰ্তক সঞ্চালকালয়ৰ গোচৰ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা ৩ খন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন পৰ্যবেক্ষণ কৰিব আৰু এই

ক্ষেত্ৰত সময়োপযোগী সিদ্ধান্ত ল'ব। সদৌ অসম উকিল সন্থাৰ সভাপতি শৈলেন্দ্ৰ দাস আৰু সাধাৰণ সম্পাদক দীপক কুমাৰ দাসে এই কথা প্ৰকাশ কৰিছে। তেওঁলোকে লগতে কয়, যে বিশেষজ্ঞ সমিতিখনে প্ৰয়োজন সাপেক্ষে চৰকাৰী পক্ষই কিবা সহায় বিচাৰিলেও সহযোগিতা আগবঢ়াব। জ্যেষ্ঠ অধিবক্তা কমল আগৰৱালা, ডেভিড লেজাৰ, শৈলেন্দ্ৰ দাস, অজিত বৰগোহাঁই, জিয়াউল কামাৰ, আনন্দ কুমাৰ ভূঞা, মানস শৰণীয়া, ৰমেশ কুমাৰ জৈন আৰু বিজন মহাজনক উপদেষ্টা, দীপক কুমাৰ দাস আৰু শান্তনু খাউণ্ডক আহ্বায়ক আৰু ৭ গৰাকী অধিবক্তাক সদস্য হিচাপে লৈ এই বিশেষজ্ঞ সমিতিখন গঠন কৰা হৈছে।

ooooo

সদৌ অসম ছাত্ৰ সন্থাই গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা ২০২৫ৰ প্ৰাপক হিচাপে তিনিচুকীয়া জিলাৰ কাকপথাৰ অঞ্চলৰ বৰমেচাই শিমলুগুৰি নিবাসী লোককৃষ্টিৰ সাধক ৰত্নেশ্বৰ মৰাণৰ নাম ঘোষণা কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা প্ৰাপকগৰাকীৰ নাম ঘোষণা কৰে। ২৭ ডিচেম্বৰত লোকগীতৰ সম্ৰাজ্ঞীগৰাকীৰ মৃত্যুৰ দিনটোত গুৱাহাটীৰ চানমাৰিৰ ছহিদ উদ্যানত দিনৰ ১১ বজাত লোককৃষ্টিৰ সাধক ৰত্নেশ্বৰ মৰাণক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। অসমৰ লোককৃষ্টিৰ সংৰক্ষণ আৰু প্ৰচাৰত বৰঙণি আগবঢ়োৱা এগৰাকী ব্যক্তিক প্ৰতিবছৰে সদৌ অসম ছাত্ৰ সন্থাই এই বঁটা প্ৰদান কৰি আহিছে।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পবিত্ৰ তীৰ্থক্ষেত্ৰ কোচবিহাৰৰ মধুপুৰ সত্ৰত কাইলৈৰ পৰা মধুপুৰ মহোৎসৱ অনুষ্ঠিত হ'ব। কাইলৈ দুপৰীয়া ২ বজাত সাহিত্য চৰ্চা কেন্দ্ৰ অসমৰ উদ্যোগত আৰু মধুপুৰ উৎসৱ উদযাপন সমিতিৰ সহযোগত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰে মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হ'ব। উল্লেখযোগ্য যে মধুপুৰ সত্ৰত যোৱা ৩০ বছৰ ধৰি এই মহোৎসৱ পালন কৰি অহা হৈছে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টি-২০ শৃংখলাৰ দ্বিতীয়খন খেল আজি বিশাখাপট্টনমৰ ৱাই এছ ৰাজশেখৰ ৰেড্ডী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। পাঁচখন খেলৰ শৃংখলাটোত ঘৰুৱা দলটো ১–০ৰ ব্যৱধানত আগবাঢ়ি আছে। কেপ্তেইন হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে যোৱা দেওবাৰে বিশাখাপট্টনমতে অনুষ্ঠিত প্ৰথমখন টি-২০ মেচত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰিছিল।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত তামুলপুৰ জিলাত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ আমাৰ তামুলপুৰ জিলাৰ সংবাদদাতা নয়নজ্যোতি দাসৰ।

ooooo

সমাপ্ত